# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 10-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় সমস্যাৰ স্থানীয় সমাধান উলিওৱাত গুৰুত্ব আৰোপ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চাইবাৰ সুৰক্ষাৰ বিষয়টোক ৰাষ্ট্ৰীয় সুৰক্ষাৰ অবিচ্ছেদ্য অংগ আখ্যা দিছে।

৩। তীখা আৰু গুৰু উদ্যোগ মন্ত্ৰী এইচ ডি কুমাৰস্বামীয়ে কৈছে যে, বহনক্ষমতা এতিয়া বিকল্প নহয় বৰং পৃথিৱীৰ কল্যাণৰ বাবে প্ৰয়োজনীয় বাধ্যবাধকতাৰূপে পৰিগণিত হৈছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে দেশত ২০৩০ চনৰ ভিতৰত বৈদ্যুতিন বাহনৰ বাৰ্ষিক বিক্ৰীৰ পৰিসংখ্যাই ১ কোটি স্পৰ্শ কৰাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। *আৰু*

৫। বিজেপি আৰু আম আদমী পাৰ্টীয়ে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় সমস্যাৰ স্থানীয় সমাধান উলিওৱাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত নৱগঠিত অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেছনৰ পৰিচালনা পৰিষদৰ প্ৰথমলানি বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে প্ৰকাশ কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে গৱেষণা অনুকুল ব্যৱস্থাৰ ক্ষেত্ৰত অন্তৰায়ৰূপে দেখা দিয়া বাধাসমূহ চিনাক্ত কৰিবলৈ আৰু এই সমস্যাসমূহ দূৰ কৰাৰ বাবে পদক্ষেপ লবলৈ আহ্বান জনায়। তেওঁ কয় যে গৱেষণাত বৰ্তমানৰ সমস্যাৰ সমাধান সূত্ৰ উলিওৱাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা উচিত। প্ৰতিষ্ঠানসমূহৰ উন্নয়ন আৰু মানলৈ অনাৰ বাবে আহ্বান জনাই প্ৰধানমন্ত্ৰীয়ে বিষয়টো বিশেষজ্ঞসকলৰ একন তালিকা প্ৰস্তুত কৰিবলৈ আৰু গৱেষণা আৰু উন্নয়নৰ প্ৰগতিৰ মূল্যায়নৰ বাবে ডেস্কবোৰ্ড বিকশাই তোলাৰ পৰামৰ্শ আগবঢ়ায়। প্ৰধানমন্ত্ৰীয়ে লগতে গৱেষণা আৰু উদ্ভাৱনৰ বাবে সম্পদসমূহৰ ব্যৱহাৰৰ বৈজ্ঞানিক নিৰীক্ষণৰ আৱশ্যকতাৰ বিষয়েও গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, বৈজ্ঞানিক সমাজে তেওঁলোকৰ প্ৰচেষ্টাসমূহৰ বাবে সম্পদৰ অভাৱ নহ'ব বুলি পতিয়ন যোৱা উচিত। অটল তিংকাৰিং পৰীক্ষাগাৰ সন্দৰ্ভত শ্ৰীমোদীয়ে এই পৰীক্ষাগাৰসমূহৰ ক্ৰম তালিকা প্ৰস্তুত কৰিব পৰা যায় বুলি পৰামৰ্শ দিয়ে। বৈঠকত পৰিচালনা পৰিষদে গৱেষণাৰ প্ৰাৰম্ভিক পৰ্যায়ত থকা বিশ্ববিদ্যালয়সমূহক শীৰ্ষ পৰ্যায়ৰ প্ৰতিষ্ঠানসমূহৰ সৈতে সংযুক্ত কৰি এটা বিশেষ কাৰ্যসূচী আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ পৰামৰ্শ অনুযায়ী অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচন গঠন কৰা হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান আৰু গৱেষণা তথা উন্নয়ন পৰীক্ষাগাৰত গৱেষণা আৰু উদ্ভাৱনৰ সংস্কৃতি সুদৃঢ় কৰাৰ উদ্দেশ্যে এই ফাউণ্ডেচন গঠন কৰা হৈছে। অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচন, দেশত বৈজ্ঞানিক গৱেষণাৰ বাবে উচ্চ পৰ্যায়ৰ কৌশলগত দিশ প্ৰদানৰ সৰ্বোচ্চ নিকায়।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চাইবাৰ সুৰক্ষাৰ বিষয়টো ৰাষ্ট্ৰীয় সুৰক্ষাৰ অবিচ্ছেদ্য অংগ বুলি অভিহিত কৰিছে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী ৫ বছৰত চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ৫ হাজাৰ চাইবাৰ কমাণ্ডোক প্ৰশিক্ষণ প্ৰদান কৰাৰ পৰিকল্পনা কৰিছে বুলি মন্তব্য কৰিছে। আজি নতুন দিল্লীত চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ আই ফ'ৰ চিৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চাইবাৰ সুৰক্ষা ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত বৃহৎ প্ৰত্যাহ্বানৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ অবিহনে দেশৰ প্ৰগতিৰ কথা কল্পনা কৰিব নোৱাৰি। শ্ৰী শ্বাহে কয় যে, চাইবাৰ অপৰাধৰ কোনো সীমা নাই আৰু ইয়াক ৰোধ কৰাৰ বাবে সকলো পক্ষৰ সহায়-সহযোগিতাৰ প্ৰয়োজন। দেশৰ বিভিন্ন ক্ষেত্ৰত ইণ্টাৰনেট সেৱাৰ বৰ্ধিত ব্যৱহাৰৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰতিদিনে দেশত ডিজিটেল লেনদেন আৰু ডিজিটেল তথ্যৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত চাইবাৰ সুৰক্ষাৰ সৈতে জড়িত লোকসকলৰ দায়িত্বও বৃদ্ধি পাইছে। শেহতীয়াকৈ কাৰ্যকৰী হোৱা ৩ খন নতুন ফৌজদাৰী আইনত চাইবাৰ অপৰাধৰ প্ৰত্যাহ্বান ৰোধ কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা ৰখা হৈছে বুলি তেওঁ উল্লেখ কৰে। চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই চাইবাৰ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰজোৰা অভিযান আৰম্ভ কৰাৰ লগতে সকলো ৰাজ্য চৰকাৰক এই অভিযানত অংশ ল'বলৈ আহ্বান জনাইছে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে এটা ৱেব আধাৰিত ম'ডুল মুকলি কৰে। ইয়াৰ সহায়ত চাইবাৰ অপৰাধৰ তথ্য সংগ্ৰহ, বিনিময়, অপৰাধৰ মেপিং, তথ্য বিশ্লেষণ ইত্যাদি কৰিব পৰা যাব।

০০০

তীখা আৰু গুৰু উদ্যোগ মন্ত্ৰী এইচ ডি কুমাৰস্বামীয়ে কৈছে যে, বহনক্ষমতা এতিয়া বিকল্প নহয় বৰং পৃথিৱীৰ কল্যাণৰ বাবে প্ৰয়োজনীয় বাধ্যবাধকতাৰূপে পৰিগণিত হৈছে। সেউজ তীখা প্ৰতিবেদন উন্মোচন অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে পৰিবেশৰ ওপৰত তীখাৰ দৰে ক্ষেত্ৰসমূহৰ ব্যাপক প্ৰভাৱ পৰে আৰু বহনক্ষমতাৰ বাবে আৱশ্যকীয় পৰিৱৰ্তনৰ সূচনা কৰা উচিত।

০০০

ভাৰতীয় জনতা পাৰ্টীয়ে আজি হাৰিয়ানা বিধানসভাৰ  আসন্ন নিৰ্বাচনৰ বাবে ২১ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত আন এখন তালিকা প্ৰকাশ কৰে। তালিকা অনুসৰি জুলানা বিধানসভা আসনৰ পৰা যোগেশ বৈৰাগীয়ে আৰু ৰায় আসনৰ পৰা কৃষ্ণ গহলাৱাটে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, বিমলা চৌধাৰীয়ে পাটাউডী আৰু প্ৰদীপ সাংৱানে বৰোদা বিধানসভা আসনৰ পৰা নিৰ্বাচনী ৰণত অৱতীৰ্ণ হ'ব। একেদৰে, ফিৰোজপুৰ ঝিৰকাত নাছিম আহমেদক আৰু পুনাহানাত আইৰজ খানক দলে প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰিছে। এই পৰ্যন্ত দলটোৱে ৬৭ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

ইপিনে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টিয়েও নগৰাকী প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে। তালিকা অনুসৰি ফৰিদাবাদ বিধানসভা আসনৰ পৰা প্ৰবেশ মেহতাক প্ৰক্ষেপ কৰা হৈছে। ইপিনে মুখতিয়াৰ সিং বাজিগৰে ৰতিয়া আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। দলটোৱে কালি বিশগৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত এখন তালিকা প্ৰকাশ কৰিছিল। এই পৰ্যন্ত দলটোৱে ২৯ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এই পৰ্যন্ত কংগ্ৰেছে ৪১ গৰাকী, জেজেপি-আজাদ সমাজ পাৰ্টি মিত্ৰজোঁটে ৩১ গৰাকী আৰু আই এন এল ডি-বি এছ পিয়ে ১২ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। নিৰ্বাচনত আজাদ সমাজ পাৰ্টিয়ে ২৫ খন আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি ঘোষণা কৰিছে।

ইপিনে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছাইনীয়ে আজি লাডৱাৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ পূৰ্বে তেওঁ দলৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰে।

ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া অহা ১২ ছেপ্টেম্বৰৰ বিয়লি ৩ বজালৈ অব্যাহত থাকিব।

০০০০

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে দেশত বৈদ্যুতিক বাহনৰ বিক্ৰী চকুত লগা ধৰণে বৃদ্ধি পাইছে আৰু ২০৩০ চনৰ ভিতৰত ইয়াৰ বাৰ্ষিক বিক্ৰীৰ পৰিসংখ্যাই এক কোটি স্পৰ্শ কৰাৰ সম্ভাৱনা আছে। নতুন দিল্লীত আজি ভাৰতীয় যান-বাহন নিৰ্মাতা সমাজৰ ৬৪ সংখ্যক বাৰ্ষিক অধিৱেশনত ভাষণ দি শ্ৰীগাডকাৰীয়ে কয় যে দেশত প্ৰায় ৩০ লাখ বৈদ্যুতিক বাহন পঞ্জীয়ন কৰা হৈছে। তেওঁ কয় যে ২০২৩-২৪ বিত্তীয়

বৰ্ষত চাৰিচকীয়া আৰু দুচকীয়া বৈদ্যুতিক বাহনৰ বিক্ৰী ক্ৰমে ৪৫ আৰু ৫৬ শতাংশ বৃদ্ধি হৈছে। এই সময়ছোৱাত ৪০০টা ষ্টাৰ্ট আপে দুচকীয়া বৈদ্যুতিক বাহনৰ নিৰ্মাণ আৰম্ভ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কাইলৈ নতুন দিল্লীত প্ৰধানমন্ত্ৰী মৎস্য কিষাণ সমৃদ্ধিসহ যোজনা মুকলি কৰিব। তেওঁ লগতে মৎস্য পালন খণ্ডৰ বাবে উৎপাদন আৰু প্ৰসংস্কৰণ গোটৰ বাবে নিৰ্দেশনা জাৰি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ প্ৰকল্পসমূহৰ বিষয়ে আলোকপাত কৰা হ'ব। মীন পালন, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ ৰাজ্যমন্ত্ৰী  এছ পি সিং বাঘেল, ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মীন বিভাগৰ প্ৰতিনিধি, প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ হিতাধিকাৰী আৰু মাছমৰীয়াসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০

পশ্চিমবংগৰ ৰাজ্যপাল ড০ চি ভি আনন্দ বসুৱে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক সংবিধানৰ ১৬৭ (গ) অনুচ্ছেদ অনুযায়ী ৰাজ্যিক মন্ত্ৰীসভাৰ সকলো সিদ্ধান্তৰ বিষয়ে ৰাজভৱনক অৱগত কৰাবলৈ নিৰ্দেশ দিছে। ৰাজ্যপালৰ কাৰ্যালয়ৰ তৰফৰ পৰা জাৰি কৰা বিবৃতি অনুসৰি সংবিধানৰ ১৬৭ নম্বৰ অনুচ্ছেদৰ ব্যৱস্থা অনুসৰি ৰাজ্য পৰিক্ৰমা সংক্ৰান্তত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সকলো সিদ্ধান্ত  আৰু বিধায়িনী প্ৰস্তাৱৰ বিষয়ে ৰাজ্যপালক অৱগত কৰোৱাটো মুখ্যমন্ত্ৰীৰ দায়িত্ব।

0000

সমাপ্ত